ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

# লক্ষ্মীনাথ বেজবৰুৱাৰ ‘পদুমকুঁৱৰী’ ঃ এক সামগ্ৰিক আলোচনা

**প্লাৰিতা বৰা**
প্ৰাক্তন ছাত্ৰী (অসমীয়া বিভাগ)
বাহনা মহাবিদ্যালয়

**সংক্ষিপ্ত সাৰঃ**

লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ একমাত্ৰ উপন্যাস ‘পদুমকুঁৱৰী’ক ঐতিহাসিক অসমীয়া উপন্যাসৰ বাটকটীয়া বুলিব পাৰি। বুৰঞ্জীৰ সঁচা ঘটনাৰ আঁত ধৰি ‘পদুমকুঁৱৰী’ উপন্যাসত হৰদত্ত আৰু বীৰদত্তৰ বিদ্ৰোহৰ কাহিনীৰে উপন্যাসখন আগবঢ়াই নিয়া হৈছে। সমগ্ৰ উপন্যাসখন বিশ্লেষণ কৰিলে দেখা যায় যে কাহিনীভাগৰ আগছোৱা সাৱলীল আৰু শেষছোৱা তীব্ৰগতিৰে আগবঢ়া। বুৰঞ্জীৰ ঘটনাৰ সমান্তৰালকৈ প্ৰণয়মূলক ঘটনাটো সুন্দৰভাৱে জড়িত কৰি দিব পৰা গুণে ‘পদুমকুঁৱৰী’ উপন্যাসখনক অসমীয়া উপন্যাস সাহিত্যত বিশেষ আসন দিবলৈ সক্ষম হৈছে।

**বীজ শব্দ ঃ** পদুমকুঁৱৰী, উপন্যাস, সাহিত্য, লক্ষ্মীনাথ বেজবৰুৱা, চৰিত্ৰ

**প্ৰস্তাৱনাঃ**

লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্য জগতৰ এক স্মৰণীয় নাম। তেখেতে মৌলিক চিন্তা আৰু বৈচিত্ৰ্যপূৰ্ণ সৃষ্টিৰে আধুনিক অসমীয়া সাহিত্যৰ এক স্পষ্ট আৰু সুদৃঢ় ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছিল। জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম বেজবৰুৱাদেৱ একাধাৰে এজন গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, প্ৰাবন্ধিক, কবি তথা শিশু সাহিত্যিক। ড$^0$ মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগটোক ‘বেজবৰুৱাৰ যুগ’ নামেৰে অভিহিত কৰিছে।

**বিষয়ৰ পৰিচয়ঃ**

সাহিত্যিক বেজবৰুৱাৰ প্ৰথম তথা একমাত্ৰ উপন্যাস হৈছে ‘পদুমকুঁৱৰী’। ঊনবিংশ শতিকাৰ অন্তিম দশকটোতেই পদ্মনাথ গোহাঞিবৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া উপন্যাসৰ প্ৰকৃত আৰম্ভণি ঘটাইছিল। পদ্মনাথ গোহাঞিবৰুৱাৰ ‘ভানুমতী’ (1891) আৰু ‘লাহৰী’ (1892) আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ ‘পদুমকুঁৱৰী’ (1905)— এই তিনিখনৰ পৰাই আধুনিক যুগৰ প্ৰকৃত উপন্যাসৰ ধাৰা আৰম্ভ হৈছে বুলিব পাৰি। লক্ষ্মীনাথ বেজবৰুৱাৰ এই উপন্যাসখন ‘জোনাকী’ আলোচনীৰ তৃতীয় বছৰৰ প্ৰথম সংখ্যাত ‘পদুমকুঁৱৰী’ নামেৰে ছোৱা-ছোৱাকৈ প্ৰকাশ হৈ ওলায়। 1905 চনতহে ‘পদুমকুঁৱৰী’ ছপা আকাৰত প্ৰকাশ পায়। পোন্ধৰটা অধ্যায়ত সমাপ্ত হোৱা ‘পদুমকুঁৱৰী’ এখন ঐতিহাসিক প্ৰেমমূলক উপন্যাস।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

**অধ্যয়নৰ উদ্দেশ্যঃ**

'পদুম কুঁৱৰী' উপন্যাসখনৰ মাজেৰে মূল চৰিত্ৰকে আদি কৰি পাৰ্শ্বিচৰিত্ৰসমূহ আৰু সমাজ জীৱন কিদৰে প্ৰতিফলিত হৈছে, সেয়া আলোচনা কৰিবলৈ প্ৰয়াস কৰাই এই গৱেষণা পত্ৰখনৰ মূল উদ্দেশ্য।

**অধ্যয়নৰ পদ্ধতিঃ**

গৱেষণা পত্ৰখন আলোচনা কৰোঁতে বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**অধ্যয়নৰ পৰিসৰঃ**

"লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুমকুঁৱৰী' ঃ এক সামগ্ৰিক আলোচনা" শীৰ্ষক আলোচনাটি যুগুত কৰোঁতেওঁ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, কলাত্মক দিশ আৰু সমাজ বাস্তৱতা আদি দিশসমূহৰ প্ৰতি লক্ষ্য ৰখা হৈছে।

**'পদুমকুঁৱৰী'উপন্যাসৰ কাহিনীঃ**

উপন্যাসখন বুৰঞ্জীপ্ৰসিদ্ধ দন্দুৱা-দ্ৰোহৰ লগত পদুম আৰু সূৰ্যৰ নৈৰাশ্যপূৰ্ণ প্ৰণয় কাহিনী এটি সাঙুৰি ৰচনা কৰা হৈছে। বেজবৰুৱাদেৱে কাল্পনিক ঘটনা, পৰিৱেশ আৰু চৰিত্ৰ-চিত্ৰণৰ জৰিয়তে উপন্যাসখনিত বাস্তৱৰ ৰহণ সানিছে। এইখিনিতে এটা কথা উল্লেখযোগ্য যে অতীত ঐতিহ্য প্ৰীতিৰ স্পষ্ট নিদৰ্শন এইখন উপন্যাসতে আৰম্ভ হৈছে। গতিকে সেইফালৰ পৰা বিচাৰ কৰিলে 'পদুমকুঁৱৰী' উপন্যাসৰ ঐতিহাসিক মূল্য নিশ্চয়কৈ আছে।

'পদুমকুঁৱৰী' উপন্যাসৰ আৰম্ভণি সাৱলীল। উপন্যাসখনৰ কাহিনীভাগত অষ্টাদশ শতিকাৰ শেষৰ সময়ত ঘটা ঐতিহাসিক ঘটনা আৰু এটি প্ৰেমমূলক ঘটনাৰ সংমিশ্ৰণ ঘটিছে। উত্তৰ কামৰূপৰ প্ৰবল পৰাক্ৰমী ভাতৃদ্বয় হৰদত্ত আৰু বীৰদত্তৰ বিদ্ৰোহৰ সৈতে সূৰ্যকুমাৰ আৰু হৰদত্তৰ একমাত্ৰ জীয়ৰী পদুমক লৈ এটি প্ৰণয় কাহিনীৰ সংযোগ ঘটাই উপন্যাসখনিত এক কাৰুণ্যৰ অৱতাৰণা কৰিছে। মুঠতে উপন্যাসখনৰ মূল উপজীব্য প্ৰেম।

আহোমসকলৰ এজন অন্যতম ৰজা গৌৰীনাথ সিংহ 1780 খ্ৰীষ্টাব্দত সিংহাসনত উঠে। তেওঁৰ দিনতেই মোৱামৰীয়াসকলে বিদ্ৰোহৰ ঘোষণা কৰিছিল। মোৱামৰীয়াসকলে যুদ্ধত আহোমসকলক হৰুৱাই চাৰিওফালে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। 1792 খ্ৰীষ্টাব্দত কেপ্তেইন ৱেলছ চাহাব অসমলৈ আহি মোৱামৰীয়া বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰে।

সেই সময়ত গুৱাহাটীত হৰদত্ত নামৰ এজন প্ৰবল বিক্ৰমী ব্যক্তিয়ে বাস কৰিছিল। তেখেতৰ ভায়েকৰ নাম আছিল বীৰদত্ত। প্ৰবল বিক্ৰমী ভাতৃদ্বয়ে লগলাগি বদন বৰফুকনৰ পৰা কামৰূপ ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সেইসময়ত ইংৰাজ সৈন্যই বিদ্ৰোহ দমন কৰি কৃষ্ণনাৰায়ণৰ সৈতে সন্ধি কৰাত হৰদত্ত আৰু বীৰদত্ত বিফল হয়। তাৰ লগে লগে মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে কলীয়া ভোমোৰা বৰফুকনক কামৰূপৰ নতুন শাসনকৰ্তা পাতে। সেইসময়ত কামৰূপীয়া প্ৰজাৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰৰ কথা ভাবি কামৰূপক উদ্ধাৰ কৰিবলৈ হৰদত্ত আৰু বীৰদত্তই কোচবিহাৰৰ মহাৰাজৰ সামৰিক সাহায্যৰ সহযোগত যুদ্ধৰ

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

আয়োজন কৰিছিল। কিন্তু এই কথা কলীয়া ভোমোৰা বৰফুকনে গম পালে। কলীয়া ভোমোৰা বৰফুকনৰ সৈন্যই হাবিয়ে-বননিয়ে বিদ্ৰোহীসকলক বিচাৰি ঘূৰি ফুৰোঁতে হৰদত্তৰ পুত্ৰ ৰঘুক লগ পোৱাত কলীয়া ভোমোৰা ফুকনে ছল কৰি হৰদত্তৰ সন্ধান উলিয়ালে আৰু ছলাহী কথাৰে ৰঘুক বিশ্বাসঘাটকতা কৰি হত্যা কৰিলে। হৰদত্ত আৰু বীৰদত্তই সাহসেৰে কলীয়া ভোমোৰা বৰফুকনৰ লগত যুঁজ দিলে যদিও আহোম সৈন্যৰ সন্মুখত তিষ্ঠিব নোৱাৰি মৃত্যুক সাৱটি ল'লে।

বুৰঞ্জীৰ এই ঘটনাৰ সৈতে সূৰ্যকুমাৰ আৰু হৰদত্তৰ একমাত্ৰ জীয়ৰী পদুমক লৈ এটি প্ৰণয় কাহিনীৰ সংযোগ ঘটাই উপন্যাসখনিৰ উপজীব্য কৰাৰ লগতে এক কাৰুণ্যৰ অৱতাৰণা কৰিছে। তাৰ লগতে আছে কলীয়া ভোমোৰা ৰজাৰ জীয়েক ফুল আইদেউ। পদুম আৰু ফুল আইদেউ দুয়োগৰাকীয়ে সূৰ্যকুমাৰক ভাল পায়। এইবোৰৰ হেতু বিভিন্ন সময়ত সংঘাতৰ মুখামুখি হৈ অৱশেষত মৃত্যুক আকোঁৱালি ল'ব লগা হ'ল। এইদৰেই অস্বাভাৱিক আৰু অহেতুক মৃত্যুৰ ঘটনাই 'পদুমকুঁৱৰী' উপন্যাসখনৰ পৰিসমাপ্তি ঘটাইছে। উপন্যাসখনৰ মাজেদি ঔপন্যাসিকে প্ৰেম, ত্যাগ আৰু আত্ম বলিদানৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে ঐতিহাসিক ঘটনাৰে আৰম্ভ হোৱা 'পদুমকুঁৱৰী'ত চিৰস্থায়ী প্ৰেমৰ এখনি হৃদয়স্পৰ্শী ছবি ফুটি উঠিছে। গতিকে লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম আৰু একমাত্ৰ উপন্যাস হিচাপে 'পদুমকুঁৱৰী' তেখেতৰ অনুপম সৃষ্টি।

**চৰিত্ৰ-চিত্ৰণঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুমকুঁৱৰী' উপন্যাসৰ কাহিনীভাগত অনেক চৰিত্ৰৰ সমাৱেশ ঘটিছে। উপন্যাসখনৰ মূল তথা আকৰ্ষণীয় চৰিত্ৰ হ'ল পদুম কুঁৱৰী। নায়িকা হিচাপে পদুম উপন্যাসখনৰ গুৰুত্বপূৰ্ণ চৰিত্ৰ। আন চৰিত্ৰকেইটা হ'ল— হৰদত্ত-বীৰদত্ত, সূৰ্যকুমাৰ, কলীয়া ভোমোৰা বৰফুকন, ফুল আইদেউ, ৰঘু, কোৰ্মা আৰু কুৰ্মী আদি।

উপন্যাসখনৰ এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ হ'ল সূৰ্যকুমাৰ। ক'বলৈ গ'লে সূৰ্যকুমাৰ উপন্যাসখনৰ নায়ক। তীক্ষ্ণ বুদ্ধিৰ ডেকা সূৰ্যকুমাৰে হৰদত্তৰ লগত বৰফুকনৰ শত্ৰুতা থকাৰ কথাটো নজনাটোৱেই আচৰিত কৰিলে। সূৰ্যকুমাৰ যদিও উপন্যাসখনৰ নায়ক তথাপিও উপন্যাসৰ নায়ক এজনৰ আৱশ্যকীয় গুণবোৰ সূৰ্যকুমাৰৰ গাত যেন ফুটি উঠা নাই। কিন্তু সূৰ্যকুমাৰৰ চৰিত্ৰত সৰলতা আৰু পদুমৰ প্ৰতি থকা গভীৰ প্ৰেমৰ আভাস জানিব পাৰি। প্ৰথম প্ৰেমত পৰি সূৰ্যকুমাৰে সেই প্ৰেম হেৰুৱাবলগীয়া হ'ল।

উপন্যাসখনৰ আন এটি অপৰিহাৰ্য তথা আকৰ্ষণীয় চৰিত্ৰ হ'ল নায়িকা পদুম কুঁৱৰী। সৰুৰেপৰাই আলাসত ডাঙৰ হোৱা কোনো দুখ-যন্ত্ৰণা সহিব নোৱাৰা পদুম, পদুম ফুলৰ দৰেই পৱিত্ৰ আৰু লাজুকী বনৰ দৰে অলপতে জঁয় পৰি যোৱা চৰিত্ৰ। মাতৃৰ আকস্মিক মৃত্যুত পাগলীৰ দৰে হোৱা পদুম পিতৃ হৰদত্ত আৰু খুৰাক বীৰদত্তৰ মৃত্যত ইমানেই অধীৰ হৈ পৰিছিল যে প্ৰিয়তম সূৰ্যকুমাৰক বহু দিনৰ মূৰত পায়ো নিজৰ মনলৈ স্থিৰতা আনিব নোৱাৰিলে। তাই সাত শত্ৰুৰ মাজত সূৰ্যক পায়ো অকলে এৰি থৈ বিষ খাই আত্মহত্যা কৰিলে। আচলতে এনেবিলাক কথাই পদুমৰ চৰিত্ৰৰ অস্থিৰতা আৰু দুৰ্বল মনক নিৰ্দেশ কৰে। বুৰঞ্জীৰ মতে হৰদত্ত স্বেচ্ছাচাৰী বুলি জনা যায় যদিও পদুমকুঁৱৰী চৰিত্ৰটোত বীৰত্ব, স্বাধীনচিতীয়া আৰু বাৎসল্য স্নেহ ফুটি উঠিছে।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

পদুমকুঁৱৰী উপন্যাসৰ আন এটি গুৰুত্বপূর্ণ নাৰী চৰিত্ৰ হ'ল ফুল আইদেউ। ফুল কলীয়াভোমোৰা বৰফুকনৰ একমাত্ৰ মাউৰী ছোৱালী। সুন্দৰী, সৰ্বগুণী ফুলৰ প্ৰথম দৰ্শনতে সূৰ্যৰ লগত গঢ় লৈ উঠিল গভীৰ আত্মীয়তা। যদিও দুয়োৰে মাজত অকৃত্ৰিম মৰম-ভালপোৱা বাঢ়িছিল তথাপিও সূৰ্যকুমাৰে প্ৰথম প্ৰেয়সী পদুমক পাহৰিব পৰা নাছিল। সেই কথা বুজি উঠিও যেন ফুল আইদেৱে সূৰ্যকুমাৰক নিস্বাৰ্থভাৱে ভাল পাইছিল। এনে নিভাঁজ সৰল প্ৰেমত মগ্ন হৈ থাকোঁতে ফুলো ত্যাগৰ বলি হ'ব লগা হৈছিল। চকুৰ সন্মুখতে প্ৰাণভৰি ভালপোৱা সূৰ্যকুমাৰ ফুলৰ পৰা চিৰদিনলৈ হেৰাই গৈছিল। সূৰ্যকুমাৰ নোহোৱাৰ পাছতো ফুলে চুমা এটা খাই এইদৰে ব্যক্ত কৰিছিল, "প্ৰাণনাথহু জীয়াই থাকোঁতে মই তোমাক চুমা খাবলৈ আৰু সেৱা কৰিবলৈ নাপালোঁ। সেই দেখি মৰিলতেই হেঁপাহ পলুৱাই চুমা আৰু সেৱা কৰি লওঁ। তোমাৰ প্ৰেম পাবলৈ মই অভাগিনীৰ ভাগ্যত নাছিল।"[1] কাব্য উপেক্ষিতা নাৰীৰ দৰে ফুলেও সূৰ্য-পদুমৰ মৃত্যুৰ লগে লগে আত্মহত্যা কৰিছে।

উপন্যাসখনৰ আন চৰিত্ৰ বীৰদত্ত আৰু ৰঘুৰ চৰিত্ৰত অদূৰদৰ্শিতা আৰু উগ্ৰ মনোভাৱৰ প্ৰকাশ পাইছে। ইপিনে বীৰদত্তৰ উক্তিবোৰত বীৰত্ব প্ৰকাশ পালেও কামে-কাজে তাৰ যথোপযুক্ত প্ৰকাশ ঘটা নাই।

উপন্যাসখনৰ আন এটি চৰিত্ৰ হ'ল কলীয়া ভোমোৰা বৰফুকন। তেখেতৰ চৰিত্ৰটি দূৰদৰ্শী, নিষ্ঠুৰ, অত্যাচাৰী আৰু বিশ্বাসঘাতক ৰূপে প্ৰকাশ পাইছে। পিছে কলীয়া ভোমোৰা বৰফুকনৰ নিষ্ঠুৰতা কিন্তু জীয়েক ফুল আইদেউৰ লগত প্ৰযোজ্য নহয়। ইপিনে কলীয়া ভোমোৰা বৰফুকনে 'হৰদত্ত'ক বধ কৰিবলৈ সূৰ্যক আনিলে বুলি ভাবি সূৰ্যকুমাৰক তেওঁৰ ঘৰৰ আপোন কৰি ল'লে আৰু মিত্ৰভাৱে ছলাহী কথাৰে ৰঘুক বিশ্বাসঘাটকতা কৰি হত্যা কৰিলে। এনে কাৰ্যত কলীয়া ভোমোৰা বৰফুকনৰ ৰাজনৈতিক বিচক্ষণতা ফুটি উঠিছে। কিন্তু কোনোধৰণৰ আঁতিগুৰি নোলোৱাকৈ জীয়েক ফুলক কিছুমান অসাধ্য সাধন কৰিবলৈ দিয়া কাৰ্যত যেন কিছু দুই-এক ত্ৰুটি ৰৈ গৈছে।

'পদুমকুঁৱৰী' উপন্যাসৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰি চাই ক'ব পাৰি যে উপন্যাসখনত আৰম্ভণিৰ পৰাই পৰিস্থিতিৰ দাসত পৰি সূৰ্যকুমাৰ, পদুম আৰু ফুল আইদেৱে নিজৰ ভালপোৱা ত্যাগ কৰিবলৈ বাধ্য হৈছে। সূৰ্যকুমাৰ আৰু পদুম আত্ম বলিদানৰ সন্মুখীন হৈ চিৰদিনৰ বাবে আঁতৰি গৈছে। আনহাতে জীয়াই থকা ফুলো ত্যাগৰ বলি হ'ব লগা হৈছে। সময়ৰ সোঁতত পদুমৰ পিতৃ-মাতৃ হেৰাই গৈছে।

## পদুকুঁৱৰী উপন্যাসৰ সমাজ জীৱনঃ

লক্ষ্মীনাথ বেজবৰুৱাদেৱে 'পদুমকুঁৱৰী' উপন্যাসত অসমীয়া মানুহৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সাজপাৰ, ধৰ্মৰ প্ৰভাৱ আদিৰ চিত্ৰ সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। পদুম আৰু ফুল আইদেউ সহজ-সৰল নিভাঁজ গাঁৱলীয়া ছোৱালী। আকৰ্ষণীয় দুয়োটা চৰিত্ৰতে কামৰ পৰিপাটি, বস্তু-বাহানি থোৱাৰ শৃংখলাবদ্ধতা, দৰা-কইনা আৰু মেকুৰী-মইনা পোহাৰ বৰ্ণনা পোৱা যায়। ঔপন্যাসিকে পদুমৰ শোৱা কোঠাত থোৱা বস্তুৰ বৰ্ণনা এনেদৰে কৰিছে—

"তেওঁ (পদুম) এটি ঘৰৰ এটা খোটালিত এখন শোৱা পাটীত বহি কিবা ভাৱত মগ্ন। তেওঁৰ মূৰ শিতানৰ ওচৰতে এটা সৰিয়হৰ তেলৰ চাকি টিমিক-ঢামাককৈ জ্বলিব লাগিছে। চাকিটোত যে তেল নথকা বাবে তেনে হৈছে এনে নহয়, তাত তেল আছে, কেৱল শলিতাদালৰ আগটো কাটি বঢ়াই দিয়া হোৱা নাই বেৰৰ কাষতে মাটিত গোটাচেৰেক উঘা-চেৰেকী পুতি থিয়কৈ থোৱা হৈছে। শোৱাপাটীৰ ওচৰতে এটা

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

বঁটাত টেমি, কটাৰী আৰু তামোল-পাণ।”[2]

তাৰোপৰি ফুল আইদেউৰ ফুলনিবাৰীত ঘটা কপৌ চৰাইৰ ঘটনা আদিত পাৰিপাৰ্শ্বিক অসমীয়া সমাজৰ ছবি পোৱা যায়। উপন্যাসখনত নামঘোষাৰ ফাকি, বৰগীতৰ ফাকি আদিৰ যোগেদি অসমীয়া সমাজত

বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ সম্পৰ্কে নিখুঁতভাৱে জানিব পাৰি। তাৰোপৰি অটব্য অৰণ্যৰ প্ৰাকৃতিক শোভাই স্থানীয় পৰিৱেশৰো ৰহণ সানিছে।

## পদুমকুঁৱৰী উপন্যাসৰ উপস্থাপনশৈলীঃ

‘পদুমকুঁৱৰী’ উপন্যাসৰ কাহিনীভাগ ঐতিহাসিক সমলৰ ওপৰত প্ৰতিষ্ঠিত। ঔপন্যাসিকে উপন্যাসখনৰ প্ৰতিটো আধ্যায়ৰ আৰম্ভণিতে কথাবস্তুৰ সৈতে সামঞ্জস্য ৰাখি ইংৰাজীত উদ্ধৃতি দিছে আৰু আধ্যায়সমূহক একো একোটা সুকীয়া নামকৰণেৰে যথাৰ্থ ৰূপত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। উপন্যাসখনৰ ভাষা সাৱলীল। তাৰোপৰি বৰ্ণনাৰ চাতুৰ্য আৰু পৰিৱেশ সৃষ্টি মনকৰিবলগীয়া। ঔপন্যাসিকে ঠাই বিশেষে কাব্যিক উপমাযুক্ত আবেগিক আৰু জতুৱা ঠাঁচ, প্ৰৱচন, পটন্তৰ আদিৰ সুন্দৰভাৱে ব্যৱহাৰ কৰিছে। চৰিত্ৰৰ ভাৱ-ভংগী প্ৰতিফলিত কৰি তুলিবলৈ উপমা, জতুৱা ঠাঁচ আদিৰ সুন্দৰভাৱে ব্যৱহাৰ কৰিছে। যেনে— নপতা ফুকন, কাকূতি-মিনতি, বাটকুৰি বাই, বিনামেঘে বজ্ৰপাত, হাতত সাৰে ভৰিত সাৰে, ভূতৰ ওপৰত দানহ আদি। উপন্যাসখনৰ তৃতীয় অধ্যায়টিত ঔপন্যাসিক পদুমৰ প্ৰতি সহানুভূতিৰে সিক্ত। চতুৰ্থ আধ্যাত নালীয়া কেৰপাই আৰু সৈনিক দুজনৰ মাজত হোৱা কথোপকথনৰ জৰিয়তে হাস্যৰসৰ সৃষ্টি হৈছে। উপন্যাসখনৰ পঞ্চম অধ্যায়টিত ঔপন্যাসিকগৰাকীৰ প্ৰেম সম্পৰ্কীয় নিজস্ব ধাৰণা জানিব পাৰি—

“বাস্তৱিকতে প্ৰকৃত প্ৰেমৰ গঢ়েই এনেটো, তাৰ গতি বিজুলী সঞ্চাৰ, ভালপোৱাৰ বস্তুটি চকুত পৰা মাত্ৰকে ভালপোৱাৰ গৰাকীৰ ভালপোৱাটোলৈ চুটি মেলে। প্ৰেমে দেশ নামানে, কাল নামানে, পাত্ৰ নামানে। প্ৰেমৰ স্থান-অস্থান, সময়-অসময়, উপযুক্ত-অনুপযুক্ত জ্ঞান নাই। অনুৰাগ- কাড়েঁ যাৰ হৃদয় এবাৰ বিন্ধিলে তেওঁ আৰু অনুৰাগৰ সেই বস্তুটি নাপায় মানে সংসাৰত সুখ নাপায়।”[3] (পৃষ্ঠাঃ ২৯৮)

## উপসংহাৰঃ

লক্ষ্মীনাথ বেজবৰুৱাৰ ‘পদুমকুঁৱৰী’ সম্বন্ধে আলোচনাৰ অন্তত ক’ব পাৰি যে উপন্যাসখনত ঐতিহাসিক দন্দুৱা দ্ৰোহে প্ৰধানভাৱে অংশগ্ৰহণ কৰিছে। ইয়াৰোপৰি ঘটনাৰ অস্বাভাৱিকতা, চাঞ্চল্যকৰ পৰিণতি আৰু প্ৰয়োজনহীন বৰ্ণনাই উপন্যাসখনৰ মূল্য কিছু পৰিমাণে হ্ৰাস কৰা যেন লাগে। ‘পদুমকুঁৱৰী’য়ে উপন্যাস হিচাপে সাৰ্থকতা লাভ কৰিব পৰা নাই যদিও উপন্যাসৰ ঘটনাক তেওঁ ঐতিহাসিক ঘটনাৰ লগত নিৰৱচ্ছিন্নভাৱে জড়িত কৰি দিব পাৰিছে। উপন্যাসখনক বোধকৰো বুৰঞ্জীৰ কাহিনীৰ আলমত লেখা প্ৰথম অসমীয়া প্ৰতীকধৰ্মী উপন্যাস বুলিব পাৰি, য’ত সূৰ্যকুমাৰ আৰু পদুমৰ সম্বন্ধে থকা সংস্কৃত কবি-প্ৰসিদ্ধিক বিচাৰি পাব পাৰি। ‘পদুমকুঁৱৰী’ সম্পৰ্কত ‘বিজুলী’ কাকতত লম্বোদৰ বৰাই তীব্ৰভাৱে আক্ৰমণ কৰি ‘উপন্যাস নে আত্মহত্যা’ বুলি এটি সমালোচনা লিখিছিল। অৱশ্যে ‘পদুমকুঁৱৰী’ৰ চৰিত্ৰসমূহত স্বকীয়তা বিদ্যমান। উপন্যাস হিচাপে ‘পদুমকুঁৱৰী’ৰ বিশেষ মূল্য নাথাকিলেও অসমীয়া উপন্যাসৰ পৰম্পৰা ৰচনাত ‘পদুমকুঁৱৰী’ৰ মূল্য সদায় থাকিব।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

**পাদটীকা ঃ**

1 বেজবৰুৱা, লক্ষ্মীনাথ ঃ পদুমকুঁৱৰী, পৃ.76
2 উল্লিখিত গ্ৰন্থ, পৃ. 1
3 উল্লিখিত গ্ৰন্থ, পঞ্চম অধ্যায়

**আধাৰ গ্ৰন্থ ঃ**

1 বেজবৰুৱা, লক্ষ্মীনাথ ঃ পদুমকুঁৱৰী, 1905

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

1 গগৈ, লীলা (সম্পা.) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, বনলতা, তৃতীয় সংস্কৰণ, 2013
2 বৰঠাকুৰ, সত্যকাম আৰু অজয় কুমাৰ ভট্টাচাৰ্য (সম্পা.) বেজবৰুৱা সমগ্ৰ. 2015
3 ভৰালী, শৈলেন ঃ অসমীয়া ঐতিহাসিক উপন্যাস, বাণী প্ৰকাশ, প্ৰথম প্ৰকাশ, 1987
4 শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, দশম সংস্কৰণ, পুনৰ মুদ্ৰণ, 2011
5 শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া উপন্যাসৰ ভূমিকা, সৌমাৰ প্ৰকাশ, প্ৰথম প্ৰকাশ, 1965

■ ■ ■


Published by IQAC, Bahona College